# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 18-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

***:::::::::::::::::::::::::::::::***

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে শিক্ষকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পৰ অধীনত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, তৃতীয়বৰ্গৰ কৰ্মচাৰী তথা নাৰ্ছসকলৰ আবাস গৃহ, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস, জি এন এম হোষ্টেল, ডাইনিং ব্লক, কমিউনিটি হল আদি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি মিছন বসুন্ধৰাৰ অধীনত ভূমি আৱণ্টন, এটি কলি দুটি পাত আঁচনিত বিত্তীয় অনুমোদনকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মিছন বসুন্ধৰাৰ  তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৩৩৬ টা আন্তঃগাঁথনিমূলক প্ৰকল্প, নিগম আৰু পৰিষদৰ ৪৫ টা আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু তিনি হাজাৰ ২৪৭ টা অব্যক্তিগত ন্যায়িক প্ৰতিষ্ঠান তথা ২৮ টা কেন্দ্ৰীয় চৰকাৰৰ বিভাগ আৰু সংস্থাকে ধৰি চাৰি হাজাৰতকৈও অধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়।

ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয় আৱণ্টনটো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্ৰায় সাত লাখ শ্ৰমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ'ব। দ্বিতীয় এডভাণ্টেজ আছামত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি মন্ত্ৰীসভাই লগতে গুৱাহাটীৰ সৰু সজাইত ৫০০ খন বিচনাযুক্ত মেদান্ত চিকিৎসালয়, ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয় আৰু পঞ্চতাৰকাযুক্ত লেমন ট্ৰী হোটেল নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনায়। ৮০০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প তিনিটা নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে প্ৰায় দুহেজাৰ ৭০০ নিয়োগ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় প্ৰতিবন্ধী অধ্যয়ন বিশ্ববিদ্যালয় স্থাপনৰ বাবে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ক ভূমি আৱণ্টন আৰু প্ৰিমীয়াম ৰেহাইৰ ক্ষেত্ৰত অনুমোদন জনোৱা হয়।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ পৃষ্ঠ পোষকতাত অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত মাজুলী মহাবিদ্যালয়ত আজিৰে পৰা দুদিনীয়াকৈ **মাজুলীৰ জনজাতি সমাজত মৎস্য পালন**

**আৰু শুকান মাছৰ সংৰক্ষণ** শীৰ্ষক প্ৰশিক্ষণ কাৰ্যসূচী  অনুষ্ঠিত হৈছে। ভগৱান বীৰচামুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি জনজাতীয় গৌৰৱ বৰ্ষৰ অংশ হিচাপে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ অৰ্ধশতাধিক মীন পালকে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড০ ব্ৰজেন চন্দ্ৰ নেওগে স্বাৱলম্বনৰ উপায় হিচাপে মৎস্য পালন আৰু শুকান মাছ সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০

হোজাই জিলাত আজি সামগ্ৰী আৰু সেৱাকৰ আৰু বন বিভাগে যুটীয়া অভিযান চলাই ইছলাম নগৰৰ পৰা বহু পৰিমাণৰ অগৰু কাঠ জব্দ কৰে। জব্দ কৰা অগৰু কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ছয় কোটি টকা বুলি বন বিভাগে প্ৰকাশ কৰিছে। কৰ ফাঁকিৰে গোলাঘাট জিলাৰ নাহৰণিৰ পৰা হোজাইৰ ইছলাম নগৰলৈ এই অগৰু কাঠখিনি অনা হৈছিল বুলি আমাৰ হোজাই জিলাৰ সংবাদদাতাই জনাইছে।

০০০০

ৰাজ্যৰ ভিতৰতে একমাত্ৰ মহিলা কৃষক উৎপাদন কোম্পানী,  শোণিতপুৰ জিলাৰ পুঠিমাৰী বাপুভেটিৰ জয়মতী কৃষক উৎপাদন  কোম্পানীয়ে ৪ হেজাৰ বিঘা ভূমিত সৰিয়হ খেতি কৰি লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে। আজি জয়মতী কৃষক উৎপাদন কোম্পানীয়ে আয়োজন কৰা এটা অনুষ্ঠানত কোম্পানীটোৰ নামেৰে তেলৰ নিজা ব্ৰেণ্ড মুকলি কৰা হয়। কোম্পানীটোৰ অধ্যক্ষা কমল কুমাৰী বড়োৰ নেতৃত্বত ৬৫০ গৰাকী উদ্যমী মহিলাক লৈ এই কোম্পানীটো গঠন কৰা হৈছিল। কোম্পানীটোৱে উৎপাদিত সৰিয়হ পৰিশোধন কৰি বিশুদ্ধ মিঠাতেল বজাৰলৈ প্ৰেৰণ কৰে। তেওঁলোকে অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ ৮০ শতাংশ ৰাজসাহায্যৰে ৩৭ লাখ টকা বিনিয়োগ কৰি সামুহিক সেৱা কেন্দ্ৰ আৰু তেল প্ৰস্তুত কৰা কল স্থাপন কৰিছে।

০০০০

ধেমাজি জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে আজি ২০২২ চনৰ ফেব্ৰুৱাৰীত সংঘটিত এটা হত্যাকাণ্ডৰ গোচৰৰ ৰায়দান কৰি অভিযুক্তক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। অভিযুক্ত জিলাখনৰ চিমেন চাপৰিৰ ৰিকু পেগুৱে নিজৰ শিশু পুত্ৰৰ সন্মুখত পত্নীক হত্যা কৰাৰ অভিযোগ উঠিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ সাক্ষ্য প্ৰমাণ গ্ৰহণ কৰি মুখ্য ন্যায়িক দণ্ডাধীশ কল্যান জিৎ শইকীয়াৰ আদালতে আজি লোকজনক দোষী সাব্যস্ত কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**